৪/৬৪
102

গুৱাহাটী পৌৰ নিগম কাৰ্য্যালয়
পশু চিকিৎসা শাখা, লাখটকীয়া, গুৱাহাটী-১

নং জি.ভি.টি / এফ-০৫/২০২১-২২/102

তাৰিখ- 23-07-2021

**ৰাজহুৱা জাননী**

ইয়াৰ দ্বাৰা সমূহ গুৱাহাটী (ম) বাসী পশুপালক ৰাইজক জনোৱা হল যে তেওঁলোকৰ পশুধনসমূহ (গৰু, মহ, ছাগলী, ভেড়া, গাহৰী ইত্যাদি যদি ৰাজহুৱা স্থান, পথ, বজাৰ আদিত ঘুৰি ফুৰি থকা দেখা যায়, সেই বিলাকক গুৱাহাটী পৌৰ নিগমৰ কৰ্মচাৰী আৰু মহলদাৰে গুৱাহাটী পৌৰ নিগম আইন অনুসৰি ৩৫৬ ধাৰা আৰু গুৱাহাটী পৌৰ নিগম অধিনিয়ম ১৯৭৬ মতে ধৰি আনি ফাটেকত এসপ্তাহ (৭ দিন) ৰাখিব পাৰিব । এই সপ্তাহৰ ভিতৰত মালিক পক্ষই যাৱতীয় নথি পত্ৰ আৰু আৱশ্যকীয় জৰিমনা, পশু চিকিৎসা বিষয়াৰ কাৰ্য্যালয়ত জমা দি তেওঁলোকৰ পশুধন মোকলাই নিব পাৰিব । অন্যথাই সাত দিনৰ পিছত পশুধন সমূহ নিলাম কৰাৰ ব্যৱস্থা কৰা হব ।

এই বিলাক কামৰ বাবে গুৱাহাটী (ম)জিলাত দুটা ফাটেকৰ অনুমতি দিয়া হৈছে ।

১) জালুকবাৰী ফাটেক ( ১ নং বাৰ্ডৰ পৰা ১৫ নং বাৰ্ডলৈ) শুক্ৰবাৰে ৰাতিপুৱা ১১ বজাৰ পৰা ১ বজালৈ নিলাম কৰা হব ।
২) থানাপাৰা ফাটেক ( ১৬ নং বাৰ্ডৰ পৰা ৩১ নং বাৰ্ডলৈ)বৃহস্পতিবাৰে ৰাতিপুৱা ১১ বজাৰ পৰা ১ বজালৈ নিলাম কৰা হব ।

যদি উক্ত দুটা নিলাম বাৰত কাৰ্য্যালয় বন্ধ থাকে তেন্তে তাৰ পৰৱৰ্ত্তী দিনত এই কাৰ্য্য সম্পন্ন কৰা হব ।

বিঃদ্রঃ গৰাকী বিহীন পশুৰ ক্ষেত্ৰতো এই নিয়ম সমূহ প্ৰযোজ্য হব ।

আয়ুক্ত
গুৱাহাটী পৌৰ নিগম
গুৱাহাটী
তাৰিখ-

জি.ভি.টি / এফ-০৫/২০২১-২২/
প্ৰতিলিপি প্ৰেৰণ কৰা হল -
১) সঞ্চালক, তথ্য আৰু জনসংযোগ বিভাগ, দিচপুৰ, অসম
ৰাজহুৱা জাননীখন এখন অসমীয়া আৰু ইংৰাজী কাকতত প্ৰকাশ কৰিবৰ বাবে অনুৰোধ জনোনা হল ।
২) যুটীয়া আয়ুক্ত, গুৱাহাটী পৌৰ নিগম, বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে ।
৩) পশু চিকিৎসা বিষয়া, গুৱাহাটী পৌৰ নিগম, বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে ।
৪) মুখ্য গাণনিক বিষয়া, গুৱাহাটী পৌৰ নিগম, বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে ।
৫) কাৰ্যালয় নথি ।

আয়ুক্ত
গুৱাহাটী পৌৰ নিগম
গুৱাহাটী